# এলে বেলে MBA পাছ

দেৱজিৎ ভূঞা



আমি সৰুতে স্কুলত পঢ়োতে আমাৰ গাঁৱত জেংবৰকাই আছিল এজন প্ৰগতিশীল খেতিয়ক। তেওঁৰ কোনো উচ্চ শিক্ষা নাছিল যদিও পাৰম্পৰিক শিক্ষা, সাধাৰণ জ্ঞান তথা অভিজ্ঞতাৰ দ্বাৰা ভাল খেতিয়ক হিচাপে পৰিগণিত হৈছিল। সেই সময়ত অসমৰ বাহিৰলৈ যোৱাটো আজিৰ দিনত নিউয়ৰ্ক বা পেৰিচলৈ যোৱাতকৈও ডাঙৰ কথা আছিল। প্ৰগতিশীল খেতিয়ক হিচাপে জেংবৰকাই নিৰ্বাচিত হ'ল পঞ্জাবলৈ যাবৰ বাবে। পঞ্জাবলৈ যোৱাৰ পাচত তাত



## ষষ্ঠ অধ্যায়

**মে**নেজমেণ্ট বৃত্তি (Profession) বা মেনেজমেণ্ট শিক্ষাৰ কেন্দ্ৰবিন্দু যে মানুহ ইতিমধ্যে আমি কৈ আহিছো বা গম পাই আহিলো। লগতে মানুহৰ পৰিচালনা কৰিবৰ বাবে মানুহক মানুহ হিচাপে গণ্য কৰিব লাগিব যে সেই কথাও বুজি উঠিলো। কিন্তু মানুহৰ এক স্বভাৱ আছে যে মানুহে সদায়ে আনৰ দোষ দেখে কিন্তু নিজৰ দোষ কোনোদিনেই নেদেখে। আমাৰ অসমীয়াত এষাৰ কথা আছে যে 'আপোন ভালেই জগত ভাল'। কিন্তু কাৰ্যক্ষেত্ৰত দেখা যায় মানুহে নিজকে ভাল বুলি ভাবে কিন্তু জগতখন সদায়ে বেয়া দেখে। এটা পুৰণি সাধুকথামতে পৃথিৱীত জন্ম হওঁতে প্ৰত্যেক ব্যক্তিয়েই নিজৰ ডিঙিত দুটা মোনা লৈ জন্ম হয়। ইয়াৰে এটা সৰু মোনা সন্মুখৰ ফালে থাকে যিটোত চুবুৰীয়া আৰু আনৰ দোষবোৰ থাকে আৰু পিঠিৰ ফালে আনটো ডাঙৰ মোনাত নিজৰ দোষ-ত্ৰুটিবোৰ থাকে। সেয়ে মানুহে তৎক্ষণাৎ আনৰ দোষবোৰ দেখে। কিন্তু নিজৰ পিঠিৰ ফালে মেটমৰা বোজাৰে ভৰা নিজস্ব দোষবোৰ দেখা নাপায়। কিন্তু ইয়াৰ ব্যতিক্ৰম যিয়েই কৰিব পাৰে অৰ্থাৎ নিজৰ মেটমৰা দোষৰ বোজাটো সন্মুখলৈ আনি আনৰ দোষৰ বোজাটো পিঠিৰ ফাললৈ দিব পাৰে তেঁৱেই মহান ব্যক্তি, মহান নেতা হ'ব পাৰে। স্বামী বিবেকানন্দ, মহাত্মা গান্ধী, মাদাৰ টেৰেছা আদি তেনে ব্যক্তিত্বৰ অধিকাৰী। এজন মেনেজাৰ বা পৰিচালকে নিজৰ দোষবোৰ শুধৰাই আদৰ্শৰ দ্বাৰা আনক অনুপ্ৰাণিত কৰিব পাৰিব লাগিব, আনৰ ত্ৰুটিৰ কাৰণ বুজিব বা উপলব্ধি কৰিব পাৰিব লাগিব। 'লুইতেহে জানে বঠা কিমানলৈ বহে' কথাষাৰ উপলব্ধি কৰিব পাৰিলেহে এজন ভাল মেনেজাৰ বা পৰিচালক হোৱা সম্ভৱ।



জেংবৰকাইক সকলোৱে সুধিলে যে আপোনাৰ ধানৰ অধিক উৎপাদনৰ মূল সূত্ৰ বা কাৰণ কি— জলসিঞ্চন নে ৰাসায়নিক সাৰ প্ৰয়োগ ইত্যাদি ইত্যাদি? জেংবৰকায়ে তাত উত্তৰ দিলে— মোৰ ধানৰ অধিক উৎপাদনৰ Secret বা সত্য হ'ল এয়ে যে মই প্ৰতিবছৰে উন্নত জাতৰ ধানৰ কঠিয়া সৰহকৈ পেলায় মোৰ পথাৰত থকা সকলো খেতিয়কক ৰুবলৈ দিওঁ। উপস্থিত সকলো মানুহে আচৰিত হৈ জেংবৰকাইক সুধিলে— আপুনি যে নিজৰ উন্নত জাতৰ কঠিয়া আপোনাৰ পথাৰৰ আন কৃষকক ৰুবৰ বাবে ভগাই দিয়ে, তেওঁলোকে দেখোন আপোনাক পিচ পেলাই অধিক উৎপাদন কৰি আপোনাৰ পৰিৱৰ্তে শ্ৰেষ্ঠ কৃষক বঁটা লাভ কৰিব। হাঁহি হাঁহি জেংবৰকায়ে হেনো উত্তৰ দিছিল— আপোনালোকে নাজানে নেকি যে ধান হ'বৰ বাবে পৰাগৰেণু বতাহত উৰি আহি মোৰ ধাননিড়ৰাত পৰিব লাগিব। যদি মোৰ কাষৰ খেতিসমূহত বেয়া বীজৰ ধানৰ খেতি থাকে তেন্তে বতাহত সেই বেয়া বীজৰ ৰেণু উৰি আহি মোৰ খেতিত পৰি মোৰ উৎপাদন কমাই পেলাব। সেয়ে মই আগতীয়াকৈ ব্যৱস্থা

লৈ সকলোকে মোৰ পথাৰত ভাল ধানৰ কঠিয়া ৰুবলৈ সহায় কৰো। বতাহত ভাল বীজৰ উন্নত ধানৰ ৰেণু উৰি আহি মোৰ পথাৰত পৰে আৰু মোৰ লগতে আমাৰ পথাৰৰ সকলোৰে উৎপাদন অধিক হয়। একেৰাহে তিনিবাৰ জেংবৰকাই শ্ৰেষ্ঠ খেতিয়ক হিচাপে স্বীকৃত হৈছিল আৰু তিনিবাৰ পঞ্জাব ভ্ৰমণৰ সুযোগ পাইছিল। আজিকালি জেংবৰকাইৰ দৰে সহজ-সৰল তথা নিজৰ লগতে সমাজৰ উন্নতি বিচৰা মানুহৰ সংখ্যা তেনেই তাকৰ। তাৰ পৰিবৰ্তে নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰা' মানুহৰ সংখ্যাই অধিক। বাতৰি কাকতত যেতিয়া কোনোবাই কাৰোবাৰ



পুখুৰীত বিহ দিয়া খবৰ নাইবা কোনোবাই আনৰ কষ্টৰ খেতিডৰা নষ্ট কৰা খবৰ পঢ়ো তেতিয়া মনত দুখ লাগে আৰু তাহানিৰ সহজ-সৰল জেংবৰকাইৰ দৰে মানুহবোৰলৈ মনত পৰে। কিন্তু দুখৰ কথা 'ৰামো নাই অযোধ্যাও নাই'।

এজন মেনেজাৰ বা মেনেজণ্টে বৃত্তিধাৰী ব্যক্তিয়ে উপলব্ধি কৰিব লাগিব বা বুজিব লাগিব যে তেওঁৰ নিজৰ স্বাৰ্থৰ বাবেই তেওঁৰ তলত বা লগত কাম কৰা প্ৰত্যেকৰে উন্নতি হ'ব লাগিব। তেওঁৰ তলৰ মজদুৰ বা কৰ্মচাৰী যিমানে উৎপাদনশীল বা কাৰ্যদক্ষ হ'ব সিমানেই তেওঁৰো কাৰ্যদক্ষতা প্ৰদৰ্শিত হ'ব আৰু তেনে মেনেজাৰ বা মেনেজমেণ্ট বৃত্তিধাৰী বৃত্তি অধিক ওপৰলৈ যাব বা উন্নতিৰ জখলাত দোপতদোপে উঠিব পাৰিব। তেওঁৰ তলৰ মানুহেই তেওঁক তলৰ পৰা ওপৰলৈ ঠেলি থাকিব। কিন্তু মেনেজাৰ বা মেনেজমেণ্ট বৃত্তিধাৰী ব্যক্তিয়ে তেওঁৰ তলৰ মানুহখিনিক হেঁচা মাৰি তললৈ পেলোৱাৰ চেষ্টা কৰি নিজে ওপৰলৈ যোৱাৰ চেষ্টা কৰে এদিন তেঁৱো তললৈহে খহি পৰিব। কাৰণ তেওঁৰ তলৰ মানুহে তেওঁক তললৈহে টানি আনিব। একেদৰে নিজৰ উন্নতি বিচৰা প্ৰতি ব্যক্তিয়েই সমাজৰ তথা দেশৰ উন্নতিৰ বাবে কাম কৰিলেহে নিজৰো উন্নতি হ'ব বা প্ৰগতি হ'ব। জাপান, চীন, জাৰ্মানী আদি দেশৰ উন্নতি হোৱাৰ এক মূল কাৰণ হ'ল যে তেওঁলোকে নিজৰ উন্নতিতকৈ দেশৰ উন্নতিত অধিক গুৰুত্ব দিয়ে আৰু সেইবাবে দেশৰ উন্নতিৰ লগতে নিজৰো জীৱন ধাৰণৰ মান উন্নত হয়। আমাৰ দেশত আমি নিজৰ স্বাৰ্থৰ বাবে কাম কৰি আনক লেং মাৰিবলৈ চেষ্টা কৰো বাবে দেশৰ লগতে নিজৰো অপকাৰ হয়। কটা-মৰা, হিংসা, খেয়াল, আতংকবাদীৰ বোমা বিস্ফোৰণ, ৰাস্তা বন্ধ, দেশ বন্ধ আদিৰ মূলতো এচাম লোকৰ স্বাৰ্থপৰতা আৰু ধন আহৰণৰ উদ্দেশ্যই ঘাইকৈ জগৰীয়া।



**মই এনে এজন মেনেজাৰ ল'ব বিচাৰো যিয়ে আনৰ কামৰ প্ৰশংসা কৰিব পাৰে, যিয়েই আনৰ কামৰ কষ্ট আৰু মূল্য বুজি পায়, উপলব্ধি কৰিব পাৰে। মই এনে এজন মেনেজাৰ ল'ব বিচাৰো।**

এজন কৃতকাৰ্য, ভাল আৰু কাৰ্যদক্ষ মেনেজাৰ হোৱাৰ পথ মসৃণ নহয়। অতি কাঁইটীয়া। ইয়াৰ বাবে লাগিব ধৈৰ্য, সহনশীলতা আৰু এৰা-ধৰা তথা ক্ষমা কৰিব পৰা মানসিকতা। এসময়ত এখন মৰুভূমিৰ মাজেৰে দুজন বন্ধু গৈ আছিল। যাত্ৰা পথৰ মাজতে দুয়োজন বন্ধুৰ মাজত এটা সৰু কথাৰ পৰা তৰ্কাতৰ্কি আৰম্ভ হ'ল আৰু এজন বন্ধুৱে আনজনৰ গালত এটা চৰ শোধাই দিলে। চৰ খোৱা বন্ধুজন হতভম্ব হ'ল আৰু মনত অত্যন্ত দুখ পালে। কিন্তু কাজিয়াখন সমাপ্ত কৰিবৰ বাবে তেওঁ আৰু একো নকৰিলে কেৱল বালিত তেওঁ লিখিলে— 'আজি মোৰ সকলোতকৈ ভাল বন্ধুৱে মোক চৰ মাৰিলে।' ইয়াৰ পাচত একো কথা-বতৰা নাপাতি তেওঁলোকে পুনৰ যাত্ৰা আৰম্ভ কৰিলে আৰু এসময়ত গৈ এখন মৰুদ্যানত উপস্থিত হ'ল। পিয়াহত আঁতুৰ হৈ চৰ খোৱা বন্ধুজনে পানীৰ এটা জলাশয় দেখি তৎক্ষণাত পানী খাবৰ বাবে নামি গ'ল। কিন্তু জলাশয়ত থকা পলসত তেওঁ লাগি ধৰিল আৰু উঠিব নোৱৰা হ'ল। পাৰত থকা তেওঁৰ বন্ধুৱে তেওঁক তৎক্ষণাত অতি তৎপৰতাৰে পলসৰ পৰা উলিয়াই আনিলে আৰু বন্ধুৰ জীৱন ৰক্ষা কৰিলে। চৰখোৱা বন্ধুজনে তেতিয়া হাতত থকা হাতুৰী-বটালী লৈ জলাশয়ৰ কাষত থকা প্ৰকাণ্ড শিল এটাত লিখি দিলে— 'আজি মোৰ সকলোতকৈ ভাল বন্ধুৱে মোৰ জীৱন ৰক্ষা কৰিলে।' চৰ মৰা বন্ধুজনে তেতিয়া সকলো পাহৰি চৰ খোৱা বন্ধুজনক সুধিলে— 'মই যেতিয়া তোমাক চৰ মাৰিছিলো তেতিয়া তুমি বালিত লিখি থৈ আহিছিলা কিন্তু এতিয়া কিয় তুমি শিলত খোদাই কৰি লিখিলা?' চৰ খোৱা বন্ধুজনে তেতিয়া উত্তৰ দিলে— 'আমাক যেতিয়া কোনোবাই আঘাত কৰে, তেতিয়া আমি বালিত লিখা উচিত যাতে ক্ষমা নামৰ বতাহে তাক মচি উৰুৱাই লৈ যাব পাৰে। কিন্তু যেতিয়া কোনোবাই আমাক উপকাৰ কৰে বা আমাৰ ভাল কৰে তেতিয়া আমি তাক শিলত খোদাই কৰি লিখিব লাগে যাতে কোনো ধুমুহাই তাক উৰুৱাই লৈ যাব নোৱাৰে।' এজন ভাল, কৃতকাৰ্য আৰু কাৰ্যদক্ষ

মেনেজাৰে তেওঁৰ লগত কাম কৰা মানুহৰ সৰু সৰু ভুল-ভ্ৰান্তিবোৰ বালিত লিখিব পৰাৰ লগতে তেওঁলোকৰ অৱদান তথা ভাল কামবোৰ শিলত লিখিব পাৰিব লাগিব।

আমাৰ অসমীয়াত এযাৰ কথা আছে— 'চৰাই মৰে বৈ মানুহ মৰে কৈ'। আমাৰ প্ৰত্যেককে প্ৰকৃতিয়ে এখন মুখ আৰু দুখন কাণ দিছে। সেয়ে আমি যিমান কথা কওঁ তাতকৈ অধিক শুনিব পাৰিব লাগিব। এজন মেনেজাৰ বা পৰিচালকৰ দায়িত্ব হ'ল সকলোৰে সুখ-দুখ, ৰং-ৰহইচৰ কথা শুনা আৰু কম কথা কৈ সকলোৰে পৰা অধিক কাম বা আউটপুট উলিওৱা। আমাৰ অসমীয়াত আমি কওঁ যে 'কথাৰ যহত কটা যায় কথাৰ যহত বঁটা পায়'। অৰ্থাৎ কথা কওঁতে বা পৰিচালনা কৰোতে এজন মেনেজাৰ বা পৰিচালক খুবেই সংযমী আৰু সাৱধান হোৱা উচিত। আমাৰ ধৰ্মশাস্ত্ৰতো আছে যে 'শব্দই ব্ৰহ্ম'। সেয়ে শব্দৰ প্ৰয়োগ আৰু উচ্চাৰণ কৰোতে মেনেজাৰ বা নেতা বহু সময়ত বিপদত পৰা আমি সদায়ে দেখা পাওঁ। এৰি দিয়া শৰ, পাৰ হৈ যোৱা সময় আৰু কৈ দিয়া শব্দ কেতিয়াও ওভোটাই আনিব নোৱাৰি। এজন মেনেজাৰ বা পৰিচালকে সেয়ে নিজৰ শব্দ বা কথাবোৰ আনৰ ভালৰ কাৰণে, আনক বুজাবৰ বাবে, আনক উদ্বুদ্ধ কৰিবৰ বাবে, আনক ক্ষমাৰ বাবে ব্যৱহাৰ কৰিব লাগিব। আনক গালি মা ধমকি বা বেয়া কথাৰে হেয় কৰিবৰ বাবে নহয়।

এবাৰ এজন অতিশয় মেধাৱী ছাত্ৰই এটা বৃহৎ কোম্পানীত মেনেজাৰৰ চাকৰিৰ বাবে আবেদন কৰিলে। লিখিত পৰীক্ষা, গ্ৰুপ ডিচকাচন আৰু প্ৰথম পৰ্যায়ৰ সাক্ষাৎকাৰত উত্তীৰ্ণ হোৱাৰ পাচত ফাইনেল ছিলেকচনৰ বাবে কোম্পানীৰ মেনেজিং ডাইৰেক্টৰে ছাত্ৰজনক নিজৰ কোঠালৈ মাতিলে। ছাত্ৰজনৰ ডায়'ডাটা চাই আৰু তেওঁৰ একাডেমিক ৰেকৰ্ড দেখি মেনেজিং ডাইৰেক্টৰে খুব ভাল পালে আৰু ছাত্ৰজনক সুধিলে— 'তুমি স্কুলত পঢ়োতে কিবা চৰকাৰী বৃত্তি লাভ কৰিছিলা নেকি?' ছাত্ৰজনে উত্তৰ দিলে যে তেওঁ স্কুলত আৰু কলেজত পঢ়োতে একো বৃত্তি লাভ কৰা নাছিল। 'তেন্তে তোমাৰ দেউতাই তোমাৰ স্কুলৰ আৰু কলেজৰ খৰচ বহন কৰিছিল?' মেনেজিং ডাইৰেক্টৰে পুনৰ সুধিলে। ছাত্ৰজনে উত্তৰ দিলে— 'নহয়, মোৰ দেউতা মই সৰু থাকোতেই ঢুকাইছিল। সেয়ে মোৰ মায়ে সকলো খৰচ বহন কৰি



মোক পঢ়ুৱালে।' মেনেজিং ডাইৰেক্টৰে পুনৰ সুধিলে— 'তোমাৰ মায়ে ক'ত চাকৰি কৰে?' ল'ৰাজনে উত্তৰ দিলে— 'মোৰ মায়ে চাকৰি নকৰে। মায়ে মানুহৰ ঘৰত বাচন-বৰ্তন আৰু কাপোৰ-কানি ধোৱা কাম কৰি মোক পঢ়ুৱাইছে।' ডাইৰেক্টৰে তেতিয়া ছাত্ৰজনক ক'লে— 'তোমাৰ হাত দুখন মোক দেখুওৱাচোন।' ছাত্ৰজনে মেনেজিং ডাইৰেক্টৰক নিজৰ হাত দুখন দেখুৱাই দিলে। দুখন নিমজ আৰু মিহি হাত। মেনেজিং ডাইৰেক্টৰে ছাত্ৰজনক সুধিলে— 'তুমি কেতিয়াবা তোমাৰ মাক কাপোৰ ধোৱা বা বাচন-বৰ্তন ধোৱাত সহায় কৰিছানে?' ছাত্ৰজনে উত্তৰ দিলে— 'নাই কৰা। মায়ে বিচাৰে মই কেৱল ভালদৰে পঢ়ো আৰু পৰীক্ষাত ভাল ফলাফল দেখুৱাই উত্তীৰ্ণ হওঁ।' মেনেজিং ডাইৰেক্টৰে তেতিয়া ছাত্ৰজনক ক'লে— 'তুমি আজি ঘৰলৈ গৈ তোমাৰ মাৰ হাত দুখন ভালদৰে ধুৱাই দিয়াগৈ আৰু কাইলৈ আহি আকৌ মোক দেখা কৰিবা।' ঘৰলৈ গৈ ছাত্ৰজনে চাকৰিটো পোৱাৰ আশাত মাকক কলে— 'মা, মই আজি তোমাৰ হাত দুখন ভালদৰে ধুৱাই দিম।' আচৰিত হৈ মাকে পুতেকৰ মুখলৈ চালে। সেমেকা চকুৰে মাকে হাত দুখন পুতেকৰ ফালে আগবঢ়াই দিলে। মাকৰ হাত দুখন ধুৱাবলৈ চুই ছাত্ৰজনৰ চকুপানী ওলাই পৰিল। দুখন শোতোৰা হাত। চাবোন আৰু খাৰে হাত দুখন খাই খাই অতিশয় দুখ লগা কৰিছে। ছাত্ৰজনে বুজিলে যে এই দুখনেই সেই হাত যি দুখন অত দিন তেওঁক শিক্ষিত আৰু উপযুক্ত কৰি তুলিবৰ বাবে অহৰহ পৰিশ্ৰম কৰি আহিছিল। হাতত হোৱা ঘাঁবোৰেই হ'ল মাকে তেওঁক শিক্ষিত কৰিব লগাৰ মূল্য। মাকৰ হাত দুখ ভালদৰে ধুই উঠি ছাত্ৰজনে নিজেই সেইদিনা মাকে ধুবলৈ অনা কাপোৰ-কানিখিনি ধুই পেলালে। সেইদিনা নিশা মাক-পুতেক দুয়ো একেলগে শুই বহু ৰাতিলৈকে কথা পাতি কটালে। পিচদিনা ছাত্ৰজন পুনৰ কোম্পানীৰ মেনেজিং ডাইৰেক্টৰৰ ওচৰলৈ গ'ল। মেনেজিং ডাইৰেক্টৰে ছাত্ৰজনক সুধিলে— 'যোৱাকালি তুমি কি কৰিলা আৰু কি উপলব্ধি কৰিলা আৰু কি শিকিলা?' ছাত্ৰজনে উত্তৰ দিলে— 'মই মাৰ হাত দুখন ভালদৰে ধুৱাই দিলো আৰু লগতে মাক ধুবলৈ নিদি ঘৰত থকা কাপোৰ-কানি নিজেই ধুলো।' 'এতিয়া তোমাৰ উবলব্ধি কি?' মেনেজিং ডাইৰেক্টৰে পুনৰ সুধিলে। ছাত্ৰজনে ক'লে— 'প্ৰথমে মই এতিয়া বুজিলো কৃতজ্ঞতা আৰু appriciation কি বস্তু। মোৰ মাৰ কঠোৰ পৰিশ্ৰম আৰু ত্যাগ অবিহনে মই আজি শিক্ষিত হৈ এইদৰে আপোনাৰ আগত থিয় হ'ব নোৱাৰিলেহেঁতেন। দ্বিতীয়তে মাৰ কাপোৰ ধোৱা কামটো কৰি বুজিলো মায়ে কৰা এই কামটো কিমান কঠিন আৰু কষ্টকৰ। তৃতীয়তে মই পৰিয়ালৰ লগত, মাৰ লগত একাত্মীয়তাবোধ উপলব্ধি কৰিলো আৰু বুজিলো dignity of labour'। মেনেজিং ডাইৰেক্টৰে তেতিয়া ছাত্ৰজনলৈ চাই ক'লে— 'মই ঠিক এনে উপলব্ধি থকা এজন মেনেজাৰেই আমাৰ কোম্পানীৰ বাবে বিচাৰি আছিলো। মই এনে এজন মেনেজাৰ ল'ব বিচাৰো যিয়ে আনৰ কামৰ প্ৰশংসা কৰিব পাৰে, যিয়েই আনৰ কামৰ কষ্ট আৰু মূল্য বুজি পায়, উপলব্ধি কৰিব পাৰে। মই এনে এজন মেনেজাৰ ল'ব বিচাৰো যিয়ে dignity of labour বুজি পায় আৰু কেৱল টকাৰ বাবে চাকৰি বা মেনেজাৰগিৰি নকৰে। তুমি মোৰ পৰীক্ষাত উত্তীৰ্ণ হ'লা আৰু কাইলৈৰ পৰা আমাৰ কোম্পানীত মেনেজাৰ হিচাপে যোগ দিয়া।'

কালক্ৰমত এই ছাত্ৰজনেই এদিন কঠোৰ পৰিশ্ৰম আৰু নিজৰ তলতীয়া তথা লগৰ কৰ্মচাৰীৰ পৰা মৰম-চেনেহ, মান-সন্মান তথা টীম ৱৰ্কৰ দ্বাৰা এদিন কোম্পানীটোৰ মেনেজিং ডাইৰেক্টৰ হ'লগৈ। ■